জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৬৩/২০২০

# বিশিষ্ট অভিনেতা জীৱেশ্বৰ ডেকাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৪ আগষ্ট ঃ** বিশিষ্ট অভিনেতা জীৱেশ্বৰ ডেকাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত জীৱেশ্বৰ ডেকাই ৰাজ্যখনৰ ভ্ৰাম্যমান নাট্য আন্দোলনলৈ যি অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত জীৱেশ্বৰ ডেকাই ৰাজ্যখনৰ কেইবাখনা আগশাৰীৰ ভ্ৰাম্যমান নাট্য গোষ্ঠীত সাৱলীল অভিনয়ৰে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ অসংখ্য নাটপ্ৰেমী ৰাইজৰ অন্তৰ চুই গৈছিল। নটসূৰ্য ফণী শৰ্মা বঁটা প্ৰাপক এইগৰাকী বিশিষ্ট অভিনেতাৰ বিয়োগ ৰাজ্যখনৰ সাংস্কৃতিক তথা সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত জীৱেশ্ব ডেকাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / পুঃডেঃ**
**২৪/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in